# প্ৰাথমিক স্তৰত শিক্ষাৰ মাধ্যম হিচাপে মিচিং ভাষা

**১। সাংবিধানিক আৰু আইনগত ব্যৱস্থা ঃ**

ভাৰতীয় সংবিধানৰ ৩৫০ (ক) অনুচ্ছেদ অনুসৰি ভাষিক সংখ্যালঘূ জনগোষ্ঠীৰ শিশুসকলক মাতৃভাষাৰ জৰিয়ে প্ৰদানৰ ব্যৱস্থা কৰাটো চৰকাৰৰ কৰ্তব্য। তদুপৰি শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ৰ ৫ ম অধ্যায়ৰ ২৯ (২) (এফ) ধাৰা প্ৰাথমিক স্তৰত ভাষিক সংখ্যালঘূ জনগোষ্ঠীৰ শিশুসকলক যথাসম্ভৱ নিজৰ মাতৃভাষাৰ জৰিয়তে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰি ৰাষ্ট্ৰীয় শিক্ষা আয়োগ আৰু ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) ৰ মতেও শিশুসকলে মাতৃভাষা গ্ৰহণ কৰাটো শিশু শিক্ষাৰ উৎকৃষ্ট পন্থা।

এই পৰিপ্ৰেক্ষিততে শিক্ষাৰ প্ৰাথমিক স্তৰত মিচিং ভাষা মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাৰ দাবী মিচিং সাহিত্য সভাই কৰিছে। উল্লেখযোগ্য যে এই নীতিৰ ভিত্তিতে অসমৰ ভাষিক সংখ্যালঘূ জনগোষ্ঠীৰ ভাষা হ্মাৰ, গাৰো আৰু নেপালী প্ৰাথমিক বিদ্যালয় সমূহত শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তিত হৈ আহিছে।

**২। বিদ্যালয় স্তৰত ভাষা শিক্ষা নীতি ঃ**

**(ক) নিম্ন প্ৰাথমিক স্তৰ (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম. শ্ৰেণীলৈ)ঃ**

শিক্ষাৰ মাধ্যম - মাতৃভাষা (মিচিং)

১ ম ভাষা - মাতৃভাষা.(মিচিং)

২ য় ভাষা - অসমীয়া (আঞ্চলিক ভাষা)

৩ য় ভাষা - ইংৰাজী

অসমীয়া আৰু ইংৰাজী বিষয় বৰ্তমানৰ দৰেই থাকিব; অৱশ্যে অসমীয়া লিপি যিহেতু ইংৰাজীতকৈ বেলেগ, অসমী দ্বিতীয় শ্ৰেণীতহে প্ৰৱৰ্তন কৰা যুগুত হ'ব। কেৱল অংক আৰু পৰিবেশ অধ্যয়ন, এই বিষয় দুটাহে মিচিং ভাষা মাধ্যমত শি অধ্যয়ন কৰিব লাগিব। এই বিষয় দুটাৰ আৱশ্যকীয় পাঠ্য-পুথি অসমীয়া ভাষাত প্ৰণয়ন কৰা প্ৰচলিত পাঠ্যপুথিৰ পৰা মিচিং অনুবাদ কৰা হ'ব। এইদৰে অনুবাদ কৰা পাঠ্য-পুথিত প্ৰয়োজন অনুসৰি পাৰিভাষিক শব্দ মিচিং ভাষাত ব্যৱহাৰ কৰা হ' প্ৰয়োজন বোধে ব্ৰেকেটৰ ভিতৰত মূল অসমীয়া ৰূপ সমূহো উল্লেখ কৰা হ'ব; যাতে উচ্চ প্ৰাথমিক স্তৰত অংক আৰু প অধ্যয়ন বিষয় দুটাৰ শিক্ষা অসমীয়া মাধ্যমৰ যোগেদি গ্ৰহণ কৰাত অসুবিধা নহয়।

**(খ) উচ্চ প্ৰাথমিক স্তৰ (৬ ষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ)ঃ**

শিক্ষাৰ মাধ্যম - আঞ্চলিক ভাষা অসমীয়া অথবা যিসকলে এই স্তৰত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিব খোজে তেওঁলোকৰ বাবে ইংৰাজী মাধ্যম

১ ম ভাষা - আঞ্চলিক ভাষা অসমীয়া (অসমীয়া মাধ্যমৰ বিদ্যালয়ত)
অথবা ইংৰাজী (ইংৰাজী মাধ্যমৰ বিদ্যালয়ত)

২ য় ভাষা - ইংৰাজী (অসমীয়া মাধ্যমৰ বিদ্যালয়ত) অথবা অসমীয়া (ইংৰাজী মাধ্যমৰ বিদ্যালয়ত)

৩ য় ভাষা - ৰাষ্ট্ৰ ভাষা হিন্দী

৪ ৰ্থ ভাষা - মিচিং ভাষা (নিম্ন প্ৰাথমিক স্তৰত মিচিং ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰা শিশুসকলৰ বাবে - ভাষিক সংখ্যালঘূ জনগোষ্ঠীৰ ভাষা)

অৰ্থাৎ, নিম্ন প্ৰাথমিক স্তৰত মিচিং ভাষা মাধ্যমৰ যোগেদি শিক্ষা গ্ৰহণ কৰা শিশু সকলে নিজৰ ইচ্ছা অনুসাৰে ষষ্ঠ পৰা অসমীয়া মাধ্যম অথবা ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰিব পাৰিব। মাতৃভাষা মিচিং বিষয় ভাষা হিচাপে থাকিব।

**(গ) মাধ্যমিক স্তৰ (নৱম আৰু দশম শ্ৰেণী) ঃ**

শিক্ষাৰ মাধ্যম - অসমীয়া অথবা ইংৰাজী

১ ম ভাষা - আঞ্চলিক ভাষা অসমীয়া (অসমীয়া মাধ্যমৰ বিদ্যালয়ত)
অথবা ইংৰাজী (ইংৰাজী মাধ্যমৰ বিদ্যালয়ত)

২ য় ভাষা - ইংৰাজী (অসমীয়া মাধ্যমৰ বিদ্যালয়ত) অথবা অসমীয়া (ইংৰাজী মাধ্যমৰ বিদ্যালয়ত)

৩ য় ভাষা - মিচিং ভাষা (নিম্ন প্ৰাথমিক স্তৰত মিচিং ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰা শিশুসকলৰ বাবে - ভাষিক সংখ্যালঘূ জনগোষ্ঠীৰ ভাষা)

বিঃদ্ৰঃ- ওপৰত দিয়া ভাষা শিক্ষাৰ নীতিয়ে ভাষিক সংখ্যালঘূ জনগোষ্ঠীৰ শিশুসকলৰ গুণগত শিক্ষা গ্ৰহণত কোনো প্ৰভাৱ নেপেলাব।

(গোবিন্দ টাইদ)
সভাপতি

(ইলেশ্বৰ দলে)
সধাৰণ সম্পাদক

Scanned by CamScanner